# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-FEB-2026
**Time :** 0755  HRS

## *Assamese Morning Bulletin*

——————————————————

অসমৰ ক্ৰীড়া ক্ষেত্ৰক বিশ্বমানৰ ৰূপ দিয়াৰ বাবে প্ৰতিখন জিলাতে আধুনিক ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণ কৰি থকা হৈছে। ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত নতুন মাত্ৰা সংযোজনেৰে লখিমপুৰ জিলাত নৱনিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্মাণৰত এই ক্ৰীড়া পৰিসৰসমূহ ৰাজ্যৰ তাৰকা খেলুৱৈসকলৰ নামত উৎসৰ্গা কৰা হ'ব। এই ক্ৰীড়া আন্তঃগাঁথনিয়ে ৰাজ্যখনৰ প্ৰতিভাসমূহক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ সুবিধা প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰক কেৱল আন্তঃগাঁথনিয়ে নহয় বৰঞ্চ অসমৰ যুৱ শক্তিৰ সপোন, সাহস আৰু সম্ভাৱনাৰ শক্তিশালী মঞ্চ বুলি উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইয়ে খেলুৱৈসকলক এই ক্ৰীড়া ক্ষেত্ৰৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। খেলুৱৈগৰাকীয়ে লগতে নিজৰ নামত ষ্টেডিয়াম নিৰ্মাণক লৈ আনন্দ প্ৰকাশ কৰে।

**বাইট (লাভলীনা বৰগোহাঁই)**

ড° শৰ্মাই কালি লখিমপুৰত আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে এখন জনসভাত অংশ লৈ লখিমপুৰ আৰু ধেমাজি জিলাৰ মুঠ ৪ হাজাৰ ৮৭৫ গৰাকী উদ্যমী যুৱক-যুৱতীৰ মাজত আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে।

ooooooo

স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীৰ সংস্থাপনৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনত ৪৮ হাজাৰ ৩১৯ গৰাকী শিক্ষাৰ্থীৰ মাজত প্ৰত্যক্ষ লাভালাভ হস্তান্তৰযোগে অনুদান প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত চৰকাৰী বা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে এবছৰৰ বাবে দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। তদুপৰি শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনক উদগণি যোগোৱাৰ উদ্দেশ্যে আজি মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ অধীনত দুহেজাৰ ১১২ গৰাকী গৱেষকক অনুদান প্ৰদান কৰা হ'ব। ইয়াৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা পূৰ্ণকালীন গৱেষণাৰ বাবে গৱেষকসকলক ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু আৰু দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে আই টি আই আৰু পলিটেকনিকসমূহত স্থাপন কৰা উদ্যোগ ৪.০ প্ৰযুক্তি কেন্দ্ৰসমূহ উদ্বোধন কৰিব।

oooooo

অসম চৰকাৰে ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ আৰ্জিত ছুটী ১৫ দিনলৈ বৃদ্ধি কৰা সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি কৰিছে। ৰাজ্যৰ বিত্ত বিভাগে অসম ছুটী সংশোধন বিধি, ২০২৬ সন্দৰ্ভত এই অধিসূচনা জাৰি কৰিছে। ৰাজপত্ৰিত অধিসূচনাত প্ৰকাশ পোৱাৰ পাছতে এই বিধি কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ

অন্যান্য কৰ্মচাৰীসকলৰ দৰে আৰ্জিত ছুটী প্ৰদান কৰিবলৈ শিক্ষক সমাজে দাবী উত্থাপন কৰি আহিছে। এই অনুসৰি চৰকাৰে শেহতীয়াকৈ শিক্ষকসকলক এই ছুটী প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০

ইতিহাস প্ৰসিদ্ধ ৰহাৰ জোঙালবলহু পৰ্যটন ক্ষেত্ৰ অহা চাৰি মাৰ্চত জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ক্ষেত্ৰখন ৰাইজৰ বাবে মুকলি কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা জোঙালবলহু পৰ্যটন ক্ষেত্ৰ অসমৰ গৌৰৱময় ইতিহাসৰ উজ্জ্বল চানেকি। বীৰ ৰজা জোঙালবলহুৰ শৌৰ্যবীৰ্যৰ কাহিনী আৰু মধ্য অসমৰ অতীত গৌৰৱৰ প্ৰতীক জোঙালবলহু গড় সংৰক্ষণৰ অভাৱত লুপ্তপ্ৰায় হৈছিল যদিও ৰাজ্য চৰকাৰে অত্যাধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে এই স্থান বিকশাই তুলিছে। এই পৰ্যটন ক্ষেত্ৰ সংগ্ৰহালয়, অতিথিশালা, ৰংমহল, তিৰাসকলৰ ছামাদি বা ডেকাচাং, বৰঘৰ, শিশুৰ ওমলা বনকে ধৰি বিভিন্ন উপাদানেৰে সমৃদ্ধ কৰা হৈছে। তদুপৰি পুখুৰীৰ পাৰৰ শোভাবৰ্ধন কৰি নৌকা বিহাৰৰো সুবিধা ৰখা হৈছে। ৰজা জোঙালবলহুৰ প্ৰতিমূৰ্তি স্থাপন কৰি এইক্ষেত্ৰ অধিক জীৱন্ত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

**সমাপ্ত**